অসম

এক অভিশপ্ত পুৱা, ডিমৌ ৰজাবাৰীৰ বাহ দুর্ঘটনাৰ ৩২ বছৰ

১৯৯৪ চনৰ ১১ নৱেম্বৰ, ডিমৌৰ ৰজাবাৰীত পুখুৰীত পৰি ৬০ জনতকৈ অধিক লোকৰ মৃত্যু হোৱা বাহ দুর্ঘটনাৰ স্মৃতি আজিও সজীৱ

প্ৰকাশ: ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:০৯ আপডেট: ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:৩০



(NewzNow)

শিৱসাগৰ, ১১ নৱেম্বৰ: ১৯৯৪ চনৰ ১১ নৱেম্বৰৰ পুৱা ডিমৌৰ ৰজাবাৰীত সংঘটিত ভয়ংকৰ বাহ দুর্ঘটনাৰ স্মৃতি ৩২ বছৰ পাছতো অঞ্চলবাসীৰ মনত সজীৱ হৈ আছে। এই দুর্ঘটনাত ৬০ জনতকৈ অধিক লোকৰ মৃত্যু হৈছিল ।

সেইদিনা পুৱা প্ৰায় ৭.৩০ বজাত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌৰ ৰজাবাৰীত শিৱসাগৰৰ পৰা ডিব্ৰুগড় অভিমুখে গৈ থকা ‘অমৰজ্যোতি’ নামৰ যাত্ৰীবাহী বাহখন দুর্ঘটনাগ্ৰস্ত হৈছিল। বাহখনত ৬০ জনতকৈ অধিক যাত্ৰী আছিল আৰু ইয়াৰে অধিকাংশই চৰকাৰী কর্মচাৰী আছিল।

অজ্ঞাত কাৰণত নিয়ন্ত্ৰণ হেৰুৱাই বাহখন পথৰ দাঁতিৰ প্ৰায় ৩০ ফুট দ পুখুৰীত সোমাই পৰিছিল। পানীৰ তলত আৱদ্ধ হৈ বহু যাত্ৰীৰ মৃত্যু হয়। ঘটনাৰ পাছতে অঞ্চলজুৰি হাহাকাৰ লাগে।

দুর্ঘটনাটোৰ প্ৰায় দুঘণ্টা পাছত অ'এনজিচিৰ কর্মচাৰী চিকন দাস ঘটনাস্থলীত উপস্থিত হৈছিল। উদ্ধাৰ অভিযানত

অংশ লৈ তেওঁ পানীত জঁপিয়াই বাছখনত ক্রেনৰ হুক লগাই আহিছিল। বর্তমান ৮২ বছৰ বয়স অতিক্রম কৰা দাসে সেইদিনাৰ শিহৰণকাৰী অভিজ্ঞতাৰ কথা স্মৰণ কৰিছে।

এই দুর্ঘটনাত চালকসহ মাত্র চাৰিজন লোকৰ প্রাণ ৰক্ষা পৰিছিল । বাকী ৬০ জনতকৈ অধিক লোকৰ মৃত্যু হৈছিল। মৃতদেহবোৰ পথৰ দাঁতিত শাৰী শাৰীকৈ ৰখা হৈছিল। অত্মীয়ই ভীৰ কৰিছিল আপোনজনক বিচাৰি। বহু পৰিয়ালে সেইদিনা নিজৰ আপোনজনক হেৰুৱাইছিল। এক শোকাকুল পৰিৱেশে গধুৰ কৰি তুলিছিল পৰিৱেশ।

দুর্ঘটনাৰ পাছত ‘অমৰজ্যোতি’ বাছখন পুনৰ ৰাজপথত চলাচল কৰিছিল। ইফালে, এই উদ্ধাৰ অভিযানত সাহসিকতাৰে অংশ লোৱা চিকন দাসে আজি হুমুনিয়াহ পেলাই সোঁৱৰিলে সেই অভিশপ্ত দিনটোৰ কথা।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2108/dimao-rajabari-bus-accident-anniversary